# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি



গুৱাহাটী, ২০ ফেব্ৰুৱাৰী : ৰাধাগোবিন্দ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ আজি সামৰণি পৰে। ১২ ফেব্ৰুৱাৰীৰপৰা অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। বাৰ্ষিক সপ্তাহ উপলক্ষে মহাবিদ্যালয়খনৰ চৌহদৰ মাজেৰে অসমীয়া জাতীয় জীৱনৰ প্ৰতিনিধিত্ব কৰি এটি সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হয়। আজি মহাবিদ্যালয়ৰ মুকলি মঞ্চত অনুষ্ঠিত মুকলি সভাত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিণ্টুমণি হালৈয়ে উদ্দেশ্য ব্যাখ্যা কৰে। সোণালী জয়ন্তী বৰ্ষত ভৰি দিবলগীয়া মহাবিদ্যালয়খন সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট চলচ্চিত্ৰ অভিনেতা তথা নাট্যশিল্পী প্ৰাঞ্জল শইকীয়া। বিশিষ্ট শিল্পীগৰাকীয়ে কঠোৰ সাধনা আৰু জাতীয় চেতনাৰ প্ৰতি দায়বদ্ধ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। উপাধ্যক্ষ ডঃ দীপক পাঠকে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক ভৃগুজ্যোতি বৈশ্যই আঁত ধৰা মুকলি সভাত বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। সামৰণিৰ অনুষ্ঠান পৰিচালনা কৰে মহাবিদ্যালয়খনৰ বিত্ত বিভাগৰ অধ্যাপক শৈলেন্দ্ৰ নাথ ডেকাই। সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক-গায়িকাৰ গীত পৰিৱেশন, বিহুনৃত্য প্ৰদৰ্শন আৰু পৰম্পৰাগত বাৰেৰহণীয়া নৃত্যৰ অনুষ্ঠানৰ অন্তত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে গীত পৰিৱেশন কৰে। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া প্ৰিয়া বড়োৱে শলাগৰ শৰাই আগবঢ়ায়।